# ইস্রায়েলসকলে কি কৰিব লাগে যিহোচূৰাই দেখিলে

## যেতিয়া ঈশ্বৰে আমাক এক দৰ্শন দিয়ে, আমি তাৰ সবিশেষ বিৱৰণ বিচৰা, আৰু তেওঁৰ বাধ্য হ'বলৈ আঁচনি কৰা উচিত।

বৰ্ত্তমানৰ প্ৰয়োজন পূৰ কৰা আৰু আপোনাৰ সহকৰ্ম্মীৰ সময় দিব পৰা কামবোৰ কৰক। ল'ৰা-ছোৱালীৰ শিক্ষকে অধ্যয়ন VIb পঢ়া উচিত।

**১। প্ৰভুৰ বাধ্য হ'বলৈ প্ৰাৰ্থনা আৰু বাক্যেৰে প্ৰস্তুত হওক।**

**প্ৰাৰ্থনা ঃ** 'প্ৰভু যীচু, আপুনি আমাৰ সেনাপতি। আপুনি কি কৰিব বিচাৰে আমাক দেখুৱাওক, আমি কি কৰিব লাগে, কওক, আৰু আমাক উচিত কথাবোৰ জানিবলৈ দিয়ক, যাতে আমি শুদ্ধ বিবেচনা কৰিব পাৰো।'

**গণনাপুস্তক ১৩:১-১৬** পদত চাওক...

- ঈশ্বৰ যিহোৱাই কি কৰিব, *(উত্তৰ ২ পদ ঃ কনান দেশ ইস্রায়েলবিলাকক দিব)*
- মানুবিলাকে কি কৰা উচিত। *(উত্তৰ ঃ কনান দেশলৈ গৈ গুপুতে সেই ঠাইৰ সৱিশেষ আনাগৈ)*
- এই কাম কৰিবলৈ কোনে তেওঁলোকক আজ্ঞা দিলে। *(৩ পদ চাওক)*

গণনাপুস্তক **১৩:১৭-২৪** পদত চাওক, চোৰাংচোৰা বিলাকে কি শিকিব লগা হ'ল।



- ক'লৈ যাব সেই বিষয়ে। *(১৭ পদ। টোকা ঃ কনান দেশৰ দুটা প্ৰধান অঞ্চল আছিল। পৰ্ব্বতীয়া দেশ আৰু সমতলত নিগেভ)*
- মানুহবিলাক বলী নে নিৰ্বলী *(১৮)*
- মানুহবিলাকৰ সংখ্যা
- দেশ কেনেকুৱা *(১৯)*
- নগৰবোৰৰ বিষয়ে
- মাটি কেনেকুৱা *(২০)*
- হাবি-জঙ্ঘলৰ বিষয়ে।
- থলুৱা উৎপাদনৰ বিষয়ে।

### সৱিশেষ বিৱৰণ আনা

সকলো ভাষা, গোষ্ঠী, মানুহ আৰু জাতিৰ শিষ্য কৰিবলৈ প্ৰভুৱে আমাক কৈছে। প্ৰত্যেক মানুহৰ গোটৰ বিষয়ে আমি কৰিব পৰা, যাতে কিদৰে গ্ৰহণ কৰিব পৰা পৰিয়াল পোৱা আৰু তেওঁলোকৰ শিষ্য কৰাৰ উচিত বিবেচনা আমি কৰিব পাৰো। যীচুৱে কোৱাৰ দৰে মানুহ বিচাৰি পোৱা হৈছে শস্য দোৱাৰ দৰে, আমি তিনি প্ৰকাৰৰ সম্ভেদ বিচাৰোঁ ঃ

**শস্য দোৱা পথাৰৰ বিষয়ে**

(ক) প্ৰত্যেক অঞ্চলত কোন বেলেগ বেলেগ মানুহৰ গোটবোৰ থাকে?

(খ) প্ৰত্যেক মানুহৰ গোটৰ জনসংখ্যা কি?

(গ) তেওঁলোকৰ ভাষা, সমাজিক জীৱন, জাতি, আৰ্থিক অৱস্থা, আৰু মূল সংস্কৃতিৰ বিশেষ লক্ষণ কি কি?

(ঘ) তেওঁলোকে নিজৰ ভিতৰত কিদৰে আদান-প্ৰদান কৰিবলৈ ভাল পায়?

(ঙ) তেওঁলোকৰ ধৰ্মীয় বিশ্বাস আৰু আধ্যাত্মিক অভ্যাসবোৰ কি কি?

(চ) তেওঁলোকে যীচুৰ বিষয়ে কি জানে আৰু খ্ৰীষ্টিয়ানসকলৰ প্ৰতি তেওঁলোকৰ মনোভাব কি?

**শস্য দোৱা শক্তিৰ বিষয়ে**

(ছ) শিষ্য কৰিব খোজা আন খ্ৰীষ্টিয়ান মণ্ডলী, মিশ্যন আৰু এজেঞ্চীবোৰ কোন?

(জ) কোন মানুহৰ গোটৰ মাজত তেওঁলোকে কাম কৰে?

(ঝ) তেওঁলোকৰ অফিচবিলাক ক'ত আৰু কৰ্মচাৰীসকল কোন ঠাইত আছে?

(ঞ) সেই আটাইবোৰ অনুস্থানে ভালদৰে কাম কৰিছেনে?

(ত) তেওঁলোকৰ কৰ্মচাৰীসকলৰ সামাজিক, সাংস্কৃতিক আৰু ভাষাৰ বিশেষ লক্ষণবোৰ কি

(থ) সেই অনুস্থানবোৰৰ কোনে আপোনাৰ লগত আৰু পৰস্পৰে সহযোগ কৰিব?

**শস্য উৎপন্নৰ বিষয়ে**

(দ) প্ৰত্যেক মানুহৰ গোটৰ কিমান ভাগ ইতিমধ্যে শিষ্য হৈছে?

(ধ) শিষ্যৰ পৰিমা বৃদ্ধি অথবা কমিছে নে?

(দ) প্ৰতি বছৰে কিমান হাৰত নতুন বিশ্বাসীসকলক বাপ্তিস্ম দিয়া হৈছে?

(প) প্ৰতি বছৰে কিমান হাৰত নতুন মণ্ডলী আৰু গোটবোৰ স্থাপন কৰা হৈছে?

(ফ) মণ্ডলীৰ নতুন চলওঁতাসকলক কিদৰে প্ৰশিক্ষণ দিয়া হয়?

(ব) কি কি বিভিন্ন প্ৰকাৰে নতুন শিষ্যবিলাক কৰা হয়?

**যিহোচূৱা ১:১–১১** পদত চাওক, যিহোচূৱাক ঈশ্বৰে দিয়া দৰ্শন কি আছিল ঃ

- ঈশ্বৰৰ প্ৰতিজ্ঞাবোৰ। *(২ আৰু ৫ পদ)*
- যিহোচূৱাৰ বাধ্যতা। *(৮ আৰু ৯ পদ)*
- যিহোচূৱাৰ আঁচনিবোৰ। *(১০ আৰু ১১ পদ)*

**২। অহা সপ্তাহৰ কামৰ আঁচনি আপোনাৰ সহকৰ্মীসকলৰ লগত কৰক।**

ন-শিকাৰু চলাওঁতাসকলৰ প্ৰশিক্ষণৰ সময়ত, তেওঁলোকৰ দৰ্শন, সম্পৰ্কে ক'বলৈ সহায় কৰক, আৰু কিদৰে তেওঁলোকৰ দৰ্শন পূৰ্ণ কৰাৰ আঁচনি কৰিব, আৰু উচিত সম্ভেদ পাবলৈ পৰিচালনা কৰিব।


আপোনাৰ নিজৰ মানুহৰ গোটৰ শস্য দোৱা সম্পৰ্কে ১ ভাগৰ প্ৰশ্নবোৰৰ পৰা উত্তৰ দিবলৈ চেষ্টা কৰিব।

প্ৰথম ভাগৰ পৰা আপোনাৰ ওচৰত থকা আন মানুহৰ গোটৰ বিষয়ে প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ চেষ্টা কৰক।

উচিত খবৰ পাবলৈ অথবা সেই খবৰ পোৱাত সহযোগ কৰিবলৈ আন মণ্ডলী আৰু অনুস্থানবিলাকৰ লগত যোগাযোগ কৰাৰ ব্যৱস্থা কৰক।

যদিহে আনবিলাকে ইচ্ছা কৰে, আপোনাৰ অঞ্চলত থকা প্ৰত্যেক মানুহৰ গোটৰ বিষয়ে উচিত খবৰ পাবলৈ এক অনুসন্ধান গোটৰ ব্যৱস্থা কৰক।

**শস্য উৎপন্ন**




আপোনাৰ দেশত থকা অনুসন্ধান অফিচৰ বিষয়ে আন খ্ৰীষ্টিয়ান চলাওঁতাৰ পৰা বুজ লওক। সেই অফিচবোৰ যোগাযোগ কৰাৰ আঁচনি কৰক আৰু 'শুভবাৰ্তা' নোপোৱা লোকৰ সম্ভেদ আৰু আপোনাৰ অঞ্চলৰ ঠাইবোৰৰ বিষয়ে খবৰ কৰক।

**৩। হ'বলগীয়া উপাসনাৰ বাবে আপোনাৰ সহ-কৰ্মীসকলৰ লগত আঁচনি কৰক।**

**পঢ়ক** অথবা নাট কৰক, গণনাপুস্তক ১৩ আৰু ১৪ অধ্যায়, কনান দেশলৈ যোৱা চোৰাংচোৰাবিলাকৰ কাহিনী, মনোযোগ আকৰ্ষণ কৰিবলৈ দিয়ক।

- কেনেকৈ লোকবিলাকে বাধ্য হ'বলৈ অস্বীকাৰ কৰিলে আৰু অৰণ্যত ৪০ বছৰ ঘূৰি ফুৰিল, যেতিয়ালৈকে তেওঁলোক আটাইবোৰ নমৰিল।'
- নতুন প্ৰজন্মক কনান দেশলৈ চলাই নিবলৈ কিদৰে বিশ্বাসী যিহোচুৱা আৰু কালেবক অনুমতি দিয়া হৈছিল।

**ল'ৰা-ছোৱালীয়ে** প্ৰস্তুত কৰা বিষয়বোৰ পৰিৱেশন কৰিবলৈ দিয়ক।

**আলোচনা কৰক**, অৱহেলিত মানুহৰ গোটবোৰ অথবা তেওঁলোকলৈ কৰ্ম্মী পঠোৱা অনুসন্ধান কৰা আঁচনি, যদি ইতিমধ্যে কোনোজনে এই কাম কৰিছে। তেওঁক ইয়াৰ ফলাফল সৱিশেষ জনাবলৈ কওক।

**প্ৰভু ভোজ** পালন কৰিবলৈ যোহন ২১:৯-১৪ পদ পঢ়ক। ব্যাখা কৰক যে আমিও, পুনৰুত্থানত যীচুৰ লগত সেই ভোজ খাম, আৰু আমাৰ উদ্দেশ্য হৈছে আটাই মানুহে সেই মহা ভোজত আমাৰ লগত যোগ দিব।

ওচৰত থকা অৱহেলিত মানুহৰ গোটবিলাক পৰিচৰ্য্যা কৰাৰ আঁচনি কৰা সকলৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ দুই বা তিনিজনীয়া সৰু **গোট** গঠন কৰক।

একেলগে **মুখস্থ কৰক**, গণনাপুস্তক ১৩:১৮।

## আপোনাৰ লোকবিলাকক শিকাব পৰা কথাবোৰ

**গৱেষণা ঃ** মানুহ আৰু ঠাইৰ আচল তথ্য সাৱধানে বিচাৰক, যিহে তেওঁলোকক সহায় কৰাত আমাক সহায় কৰিব।

**শুভবাৰ্তা নোপোৱা ঃ** আন খ্ৰীষ্টিয়ানবিলাকৰ সহায় নোহোৱাকৈ নিজৰ লোকবিলাকক শুভবাৰ্তা দিব নোৱাৰা গোটবিলাক যিবিলাকৰ যথেষ্ট সংখ্যক খ্ৰীষ্টীয়ান লোকসমূহ নাই।

**শস্যদোৱা পথাৰ ঃ** শুভবাৰ্তা নোপোৱা ঠাইবোৰৰ নাম আৰু তাত বাস কৰা শুভবাৰ্তা নোপোৱা মানুহৰ গোটবোৰ।

**শস্যদোৱা শক্তি ঃ** খ্ৰীষ্টীয়ানবিলাকৰ সংখ্যা আৰু প্ৰকাৰ যিসকলে এটা গোটৰ লোকৰ মাজত শিষ্য কৰা আৰু নতুন সমাজ আৰম্ভ কৰাৰ ইচ্ছা কৰে।

**শস্য উৎপন্ন কৰা ঃ** কোনো এক গোটৰ মানুহৰ মাজত ব্যক্তিৰ সংখ্যা যিসকলে যীচুত বিশ্বাস কৰে আৰু বাপ্তাইজিত হয়।

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.